**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-07-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। অসম চৰকাৰে ৰাজ্যখনত মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ ঘটনা ৰোধৰ বাবে তাৎক্ষণিক সিদ্ধান্তৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান ৰোধৰ বাবে নেডাৰলেণ্ডৰ প্ৰতিষ্ঠানক নলা-নৰ্দমাৰ কামৰ দায়িত্ব অৰ্পণ কৰা হৈছে বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ত অসম চৰকাৰৰ প্ৰকাশ।

৩। শিক্ষাৰ্থীসকলৰ সৰ্বাত্মক বিকাশ আৰু প্ৰগতিত আৰোহণ আঁচনিয়ে ইতিবাচক পৰিৱৰ্তন আনিছে বুলি শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ মন্তব্য।

৪। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো ভাতৃ-ভগ্নীৰ পবিত্ৰ বান্ধোনৰ নিদৰ্শন ৰাখী বন্ধন উৎসৱ পালন। সোণাপুৰ চৰকাৰী বৃদ্ধাবাসত আয়োজিত ৰাখী বন্ধনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

আৰু

৫। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব ফটোগ্ৰাফী দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত।

০০০০০০০

অসম চৰকাৰে ৰাজ্যখনত মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ ঘটনা ৰোধৰ বাবে তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্যকৰী ব্যৱস্থা লয় বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে বিৰোধী পক্ষই সমালোচনা কৰিলেও চৰকাৰে এনে বহু ক্ষেত্ৰত তাৎক্ষণিকভাৱে ন্যায় প্ৰদানৰ ব্যৱস্থা কৰিছে। চৰকাৰে ভৱিষ্যতেও এনে ক্ষেত্ৰসমূহত তৎকালীনভাৱে ন্যায়ৰ ব্যৱস্থা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত স্মাৰ্ট মিটাৰ সংস্থাপনৰ প্ৰসংগ উল্লেখ কৰি কয় যে ৰাজ্যখনত স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুতৰ মাছুল বৃদ্ধি হোৱা কথাটো সত্য নহয়। ইয়াৰ বিপৰীতে এই মিটাৰ সংস্থাপনে গ্ৰাহকক মিতব্যয়ীভাৱে বিদ্যুৎ ব্যৱহাৰ কৰাৰ সুবিধা দিছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুৎ মাছুল বৃদ্ধি হোৱা বুলি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল।

ইপিনে, এ আই ইউ ডি এফে স্মাৰ্ট মিটাৰৰ জৰিয়তে ৰাজ্য চৰকাৰে জনসাধাৰণক লুণ্ঠন আৰু হাৰাশাস্তি কৰাৰ অভিযোগ তুলিছে। দলটোৱে স্মাৰ্ট মিটাৰৰ জৰিয়তে অত্যাধিক বিদ্যুৎ মাছুল সংগ্ৰহ নকৰিবলৈ চৰকাৰক আহ্বান জনাইছে। লগতে স্মাৰ্ট মিটাৰ লগাবলৈ যোৱা ঠিকাদাৰ পক্ষৰ প্ৰৱঞ্চনা আৰু বিদ্যুৎ বিভাগৰ নাম লৈ ভয় খুৱাই স্মাৰ্ট মিটাৰ লগাবলৈ বাধ্য কৰা ঠিকাদাৰৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দলটোৱে আহ্বান জনায়।

০০০০০০০

ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান ৰোধৰ বাবে  নেডাৰলেণ্ডৰ এটা প্ৰতিষ্ঠানক নলা-নৰ্দমাৰ কামৰ দায়িত্ব অৰ্পণ কৰিছে বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ত মহাধিবক্তা দেৱজিৎ শইকীয়াই প্ৰকাশ কৰে। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে এই সন্দৰ্ভত যোৱামাহত নিবিদা প্ৰকাশ কৰা বুলিও তেওঁ উল্লেখ কৰে। শীঘ্ৰেই বিদেশী প্ৰতিষ্ঠানটোৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে এই সন্দৰ্ভত আজি আদালতত এখন শপতনামাও দাখিল কৰে। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান সমস্যা আৰু অবৈধ পাহাৰ খননৰ বিৰুদ্ধে এটা বেচৰকাৰী প্ৰতিষ্ঠানে উচ্চ ন্যায়ালয়ত দাখিল কৰা  ৰাজহুৱা স্বাৰ্থজনিত আবেদনৰ শুনানিৰ সময়ত ৰাজ্য চৰকাৰে এই তথ্যসমূহ প্ৰকাশ কৰে।

০০০০০০০

শিক্ষাৰ্থীসকলৰ সৰ্বাঙ্গীণ বিকাশ আৰু প্ৰগতিত আৰোহণ আঁচনিয়ে ইতিবাচক পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে বুলি শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। প্ৰতিযোগিতাৰ মাজেৰে নিজক প্ৰতিষ্ঠা কৰিব পৰাকৈ শিক্ষাৰ্থীসকলে আৰম্ভণিৰে পৰা মন স্থিৰ কৰিব লাগিব বুলিও তেওঁ কয়। উল্লেখযোগ্য যে ২০২৩-২৪ বৰ্ষত ৪৩২৪ গৰাকী শিক্ষাৰ্থী আৰু ৪৮১৪ গৰাকী মেণ্টৰে আৰোহণ পোৰ্টেলৰ জৰিয়তে নাম অন্তৰ্ভুক্ত কৰিছে। একেদৰে ২০২৪-২৫ বৰ্ষত ৪২৮০ গৰাকী শিক্ষাৰ্থী আৰু ১৯৩৪ গৰাকী মেণ্টৰে আৰোহণ পোৰ্টেলৰ জৰিয়তে নাম অন্তৰ্ভুক্ত কৰে। এই পোৰ্টেলৰ জৰিয়তে অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলক তেওঁলোকৰ মেণ্টৰসকলে তেওঁলোকৰ ঘৰত বা ভাৰ্চুৱেল মোডৰ জৰিয়তে শিক্ষাৰ্থীসকলক আগুৱাই নিয়াৰ বাবে দিহা পৰামৰ্শ প্ৰদান কৰি আহিছে। ইয়াৰ উপৰি এই আঁচনিৰ অন্তৰ্ভূক্ত শিক্ষাৰ্থীসকলক পাঠ্যপুথিৰ বাবাদ এক হাজাৰ টকাকৈ একাউণ্ট যোগে প্ৰদান কৰি অহা হৈছে।

0000000

গুৱাহাটীৰ এটা ব্যক্তিগত শ্বপিং ম'লত আজি বিয়লিৰ ভাগত আকস্মিকভাৱে মলটোৰ স্বত্বাধিকাৰীয়ে গ্ৰাহকসকলক কাৰিকৰী কাৰণত বাহিৰলৈ যাবলৈ নিৰ্দেশ দিয়াক লৈ উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ স্নিফাৰ ডগৰ সহায়ত অনুসন্ধান আৰম্ভ কৰে যদিও এই বিষয়ে এতিয়ালৈকে কোনো তথ্য প্ৰকাশ কৰা নাই। ইপিনে, এই ঘটনাৰ ফলত অঞ্চলটোত জনসাধাৰণে ভিৰ কৰাৰ বাবে তীব্ৰ যান-জঁটৰ সৃষ্টি হয়।

0000000

বিশ্ব সংস্কৃত দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ ভাষাটোৰ প্ৰতি অনুৰাগী, শ্ৰদ্ধাশীল আৰু এই ভাষাটোৰ প্ৰসাৰৰ হকে কাম কৰি থকা সকলো লোকক অভিনন্দন জ্ঞাপন কৰিছে।

ৰাজ্যৰ বিভিন্ন স্থানতো আজি সংস্কৃত দিৱস উদযাপন কৰা হয়। নলবাৰী সংস্কৃত মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংস্কৃত শ্লোক আবৃত্তি প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ দীপজ্যোতি বৰপূজাৰীয়ে সভাপতিত্ব কৰে।

0000000

দেশৰ পদ্ম বঁটাৰে সন্মানিত ৭০ গৰাকীতকৈ অধিক চিকিৎসকে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ সৈতে জড়িত গোচৰত ব্যক্তিগতভাৱে হস্তক্ষেপ কৰাৰ আহ্বান জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰিছে। চিকিৎসকসকলে পত্ৰত উল্লেখ কৰিছে যে, এনেধৰণৰ অমানুসিক কাৰ্যই চিকিৎসা সেৱাৰ আন্তঃগাঁথনিক জোকাৰি যায়। তেওঁলোকে লগতে এনে দুষ্কাৰ্য, বিশেষকৈ মহিলা, কিশোৰী তথা স্বাস্থ্যকৰ্মীসকলৰ বিৰুদ্ধে সংঘটিত অপৰাধ নিৰ্মূল কৰাৰ তাৎক্ষণিক প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে। চিকিৎসকসকলে এনে ধৰণৰ কাৰ্য যাতে পুনৰ সংঘটিত নহয় তাৰ বাবেও শক্তিশালী ব্যৱস্থা গঢ়ি তোলাৰ বাবেও প্ৰধানমন্ত্ৰীলৈ আহ্বান জনায়। তেওঁলোকে লগতে বিধি বলৱৎকাৰী সংস্থা, নীতি নিৰ্মাতাসকল তথা সমাজক এইক্ষেত্ৰত তাৎক্ষণিক আৰু নিৰ্নায়ক ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইফালে এই ঘটনাৰ পাছতে পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বোসে ৰাজ্যখনৰ সকলো চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ লগতে মহিলা চিকিৎসক আৰু নাৰ্চসকলৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে কৰ্তৃপক্ষক নিৰ্দেশ দিছে। আনহাতে এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ন্যায়ৰ দাবী জনাই কালি কলকাতাৰ তিনিটা উল্লেখনীয় ফুটবল ক্লাব ক্ৰমে মোহন বাগান, ইষ্ট বেংগল আৰু মহম্মদান স্পোৰ্টিং ক্লাবৰ হাজাৰ হাজাৰ ফুটবল প্ৰেমীয়ে চল্টলেক ষ্টেডিয়ামৰ বাহিৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

ইপিনে এই ঘটনাৰ পাছতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কর্তৃপক্ষই সুৰক্ষাৰ দিশত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অনুষ্ঠানটোৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্যই জাৰি কৰা এখন নির্দেশনা অনুসৰি নিশা কর্তব্যত নিয়োজিত মহিলা চিকিৎসকলৰ বাবে জি এম চি এইচৰ কেজুৱেলিটি বিভাগত বিশেষ বাহনৰ ব্যৱস্থা থাকিব। মূল হাস্পতাল চৌহদ, ছুপাৰ স্পেচিয়েলিটী হাস্পতাল, চি এন চেণ্টাৰ আৰু ৩ নম্বৰ ছাত্ৰাবাসলৈ অহা-যোৱা কৰাৰ বাবে কর্তব্যৰত চিকিৎসকসকলে দায়িত্বত থকা কেজুৱেলিটি বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। কেজুৱেলিটি বিষয়াই কর্তব্যৰত মহিলা চিকিৎসকৰ বাবে বাহনৰ ব্যৱস্থা কৰাৰ লগতে এগৰাকী মহিলা সুৰক্ষা কর্মী থকাটো নিশ্চিত কৰিব।

আন এটা নির্দেশনা অনুযায়ী ৰোগীৰ সৈতে অহা ৰেড কার্ড থকা পৰিয়ালৰ সদস্যৰ বাহিৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত সন্ধিয়া ৬ বজাৰ পাছত আন লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। নির্দেশনাত উল্লেখ কৰা মতে চৌহদৰ পৰা অকর্তৃত্বশীলভাৱে থকা লোকসকলক আঁতৰাই পঠোৱাৰ বাবে সুৰক্ষাৰ দায়িত্বত থকা বিষয়াজন দায়বদ্ধ হ'ব। এইক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিষয়াজনে ভঙাগড় আৰক্ষীৰ সহায় ল'ব পাৰিব। ইয়াৰ উপৰি সকলো গৃহৰক্ষী জোৱান, ব্যক্তিগত সুৰক্ষা কর্মী আৰু নির্মাণ শ্রমিকে সন্ধিয়া ৬ বজাৰ পাছত পৰিচয় পত্ৰ পিন্ধিব লাগিব বুলিও নির্দেশনাটোত প্ৰকাশ কৰা হৈছে।

0000000

থাইলেণ্ডৰ ৰাষ্ট্ৰদূত পাট্টাৰত হংটং আজি ডিব্ৰুগড়ত উপস্থিত হয়। ৰাষ্ট্ৰদূতগৰাকীয়ে বাণিজ্যিক তথা পর্যটনৰ ক্ষেত্ৰত ভাৰতৰ সৈতে সম্পৰ্ক উন্নীত কৰাৰ সম্ভাৱনা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে এই দুয়োটা ক্ষেত্ৰতে ডিব্ৰুগড় জিলাত থকা ব্যাপক সম্ভাৱনা সম্পৰ্কত আলোচনা কৰিবলৈ জিলাখনৰ আয়ুক্ত কার্যালয়ত এখন বৈঠকত মিলিত হয়। জিলাখনৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে ৰাষ্ট্ৰদূতগৰাকীক আদৰণি জনায়। তদুপৰি আজিৰ বৈঠকত ডিব্ৰুগড়ৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মুখ্য প্ৰৱন্ধক মৰ্গেন মেষ্টন, পর্যটন উন্নয়ন বিষয়া মানৱ দাস আৰু নয়নমণি পামেগাম, ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড, অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজান, নামৰূপৰ সাৰ নিগম লিমিটেডৰ উপৰি বিভিন্ন প্ৰতিষ্ঠানৰ শীৰ্ষ বিষয়া আৰু প্ৰতিনিধিসকল উপস্থিত থাকে।

0000000

ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক গৰিমামণ্ডিত কৰাৰ পৱিত্ৰ উৎসৱ ৰাখী বন্ধন আজি সমগ্ৰ দেশজুৰি পালন কৰা হয়। এই উৎসৱত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙৰ ৰাখী বান্ধি তেওঁলোকৰ সু-স্বাস্থ্য আৰু সমৃদ্ধিৰ হকে প্রার্থনা জনায়। ইয়াৰ বিনিময়ত ভাতৃয়ে ভগ্নীৰ সুৰক্ষা আৰু সহযোগিতাৰ প্ৰতিশ্ৰুতি দি তেওঁলোকক উপহাৰ প্ৰদান কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ভাতৃ-ভগ্নীৰ পৱিত্ৰ বন্ধনৰ উৎসৱ ৰাখী বন্ধন পালন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত তথা এটা স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত পৰিচালিত সোণাপুৰ চৰকাৰী বৃদ্ধাবাসত আয়োজিত ৰাখী বন্ধনৰ কার্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰীয়ে লগতে বৃদ্ধাশ্ৰমখনৰ আবাসীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ প্ৰতিমাহতে স্থানীয় চিকিৎসালয়ৰ চিকিৎসকৰ এটা দলৰ দ্বাৰা আবাসীসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব বুলি উল্লেখ কৰে। এই অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিধায়ক অতুল বৰাও উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে আজি গুৱাহাটীৰ এটা বৃদ্ধাবাসত ৰাখী বন্ধনৰ কার্যসূচীত অংশগ্ৰহণ কৰে।

কোকৰাঝাৰৰ কেন্দ্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান আৰু ১৩৫ নম্বৰ ইকোলজিকেল টাস্ক ফোৰ্চে আজি এই উৎসৱ পালন কৰে। উৎসৱ উপলক্ষে তেওঁলোকে প্ৰতিষ্ঠানটোৰ ছাত্ৰী নিবাসত নতুনকৈ ৰোপণ কৰা গছপুলিসমূহৰ প্ৰতিপালন কৰাৰ শপত লয়। তেওঁলোকে প্ৰতিকীভাৱে এই গছপুলি সমূহত ৰাখী বান্ধি এই উৎসৱ উদযাপন কৰে। মাজুলীৰ বনগাঁও শংকৰদেৱ শিশু নিকেতনত আজি এই উৎসৱ পালন কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে নিজতকৈ কনিষ্ঠসকলক ৰাখী পিন্ধাই এই উৎসৱ পালন কৰে।

সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ অসমৰ ধুবুৰী জিলা সমিতিয়ে আজি ৰাখী পূৰ্ণিমা উপলক্ষে জিলাখনৰ সীমান্ত সুৰক্ষা বাহিনীৰ ৰাটাৰ উইঙত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। ঘৰ তথা পৰিয়ালৰ পৰা বহু দূৰৈত থাকি সীমান্ত তথা নদী-পথ এলেকাত নিজৰ দায়িত্ব পালন কৰি থকা বিষয়া জোৱানসকলক সীমান্ত চেতনা মঞ্চৰ মহিলা কৰ্মকৰ্তাসকলে ৰাখী পিন্ধাই তেওঁলোকৰ মংগল কামনা কৰে।

00000000

আজি বিশ্ব ফটোগ্ৰাফী দিৱস উদযাপন কৰা হৈছে। অসম সংগ্ৰহালয় সঞ্চালকালয়ে বিশ্ব ফটোগ্ৰাফী দিৱস উপলক্ষে অসম ৰাজ্যিক সংগ্ৰহালয়ত আজিৰেপৰা এখন বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰিছে। A saga in pictorials, resonance from the past শীৰ্ষক এই প্ৰদৰ্শনী অহা ৩০ চেপ্তেম্বৰলৈ চলিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই প্ৰদৰ্শনী আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰদৰ্শনীখন মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অতীতক সংৰক্ষণ কৰি ৰখা বহু উল্লেখনীয় আলোকচিত্ৰৰ সমাহাৰেৰে কলা-অনুৰাগী ৰাইজক নান্দনিক অনুভূতিৰে পুলকিত কৰিব। এই প্ৰদৰ্শনী সোমবাৰ আৰু ৰাজহুৱা বন্ধৰ বাহিৰে প্ৰতি দিনে পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ জনসাধাৰণৰ বাবে মুকলি থাকিব। অসম ফটো সাংবাদিক সন্থাৰ উদ্যোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত বিশ্ব আলোকচিত্ৰ দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট অভিনেত্ৰী চেতনা দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত ডিব্ৰুগড়ৰ জ্যেষ্ঠ ফটো সাংবাদিক সৌৰভ দুৱৰাক ফটো সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। ডিব্ৰুগড়তো আজি এই দিৱস উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হয়। ডিব্ৰুগড় ফটোগ্ৰাফী ছ'চাইটিৰ উদ্যোগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ফটো প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। দুই শতাধিক ফটো প্ৰদৰ্শন কৰা এই প্ৰদৰ্শনীৰ দ্বাৰ ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰই মুকলি কৰে। অনুষ্ঠানত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান শাখাৰ মুৰববী লোহিত ডেকা উপস্থিত থাকে।

00000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি হাইলাকান্দি জিলাৰ কাটলিচেৰা উন্নয়ন খণ্ডৰ কাৰ্যালয়ত উপস্থিত হৈ বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত বুজ লয়। প্ৰধানমন্ত্ৰী আৱাস যোজনা, অমৃত সৰোবৰ আদিকে ধৰি বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে তেওঁ বিষয়াসকলৰ সৈতে মত-বিনিময় কৰে। উল্লেখযোগ্য যে এই উন্নয়ন খণ্ডত ইতিমধ্যেই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ৯২% ঘৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে । অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত ১০০% ঘৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ তেওঁ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰে। ইয়াৰ লগতে তেওঁ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ জীৱিকা সখী আৰু আত্মসহায়ক গোটৰ সদস্যাসকলে তৈয়াৰ কৰা সামগ্ৰীসমূহো পৰিদৰ্শন কৰে।

0000000

গুৱাহাটী মহানগৰীৰৰ জালুকবাৰী আৰক্ষীয়ে অভিযান চলাই কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ বিষয়া বুলি ভুৱা পৰিচয় দিয়া এজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোকজনক দৰং জিলাৰ ফইজুল হাজৰিকা বুলি চিনাক্ত কৰা হৈছে। গ্ৰেপ্তাৰৰ পিছতে আৰক্ষীয়ে ফইজুলৰ ছয়মাইলৰ বাসগৃহত তালাচী চলাই এযোৰ আৰক্ষীৰ পোছাক, পৰিচয় পত্ৰ, বেজ আৰু এটা পুতলা পিষ্টল জব্দ কৰে। উল্লেখ্যযোগ্য যে, চি বি আই বিষয়া ডেনিছ হাজৰিকা বুলি ভুৱা পৰিচয় দি ফয়াজুলে বহু লোকক ধন দাবী কৰাৰ লগতে চাকৰিৰ প্ৰলোভন দি অহাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ডিব্ৰুগড়ৰ গৌতম শইকীয়া নামৰ আন এজন যুৱককো আটক কৰে।

0000000

00000

মটক স্বায়ত্তশাসিত পৰিষদৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ বাবে নিযুক্ত ডেজিগনেটেড কৰ্তৃপক্ষ তথা ডিব্ৰুগড়ৰ জিলা আয়ুক্তই নিৰ্ধাৰিত সময়সচী অনুসৰি স্বায়ত্তশাসিত পৰিষদত অন্তৰ্ভুক্ত হ'বলগীয়া গাঁৱৰ প্ৰথমখন খচৰা প্ৰকাশ কৰিছে। সেই অনুসৰি লখিমপুৰ জিলাৰ  বিহপুৰীয়া ৰাজহ চক্ৰৰ সোণাৰি ৰাজহ গাঁও, চিচাপথাৰ ৰাজহ গাঁও, ঢকুৱাখনা ৰাজহ চক্ৰৰ বাঁহপাৰা চাপৰি ৰাজহ গাঁও আৰু বাঁহপাৰা চুম্পাৰা কচুগাঁও প্ৰথমখন খচৰাত অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰকাশিত জাননী অনুসৰি এই সম্পৰ্কত কিবা দাবী, ওজৰ-আপত্তি থাকিলে সংশ্লিষ্ট পক্ষ সমূহে অহা ২৭ আগষ্টৰ ভিতৰত দাখিল কৰিব পাৰিব। আনহাতে, ওজৰ-আপত্তি নিষ্পত্তিকৰণৰ অন্তত অহা ৩১ আগষ্টত গাঁৱৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হব।

0000000

কৃষিভূমিত চৰহা পোকৰ আক্ৰমণ ৰোধ কৰিবলৈ যোৰহাট জিলাৰ কৃষি বিভাগে যাৱতীয় কাৰ্যসূচী গ্ৰহণ কৰিছে। শেহতীয়াকৈ কৃষি বিভাগৰ বিষয়াসকলে জিলাখনৰ টীয়ক, চেলেংহাট, নকছাৰী আৰু চিপাহীখোলাৰ ক্ষতিগ্ৰস্থ কৃষিভূমিসমূহ পৰিদৰ্শন কৰে। জিলাখনৰ কৃষি উন্নয়ন বিষয়াৰ তত্বাৱধানত কৃষকৰ মাজত কীটনাশক ঔষধ বিতৰণ কৰাৰ লগতে সজাগতা সভা অনুষ্ঠিত কৰা হৈছে। ইয়াৰ লগতে সজাগতা সভাসমূহত কৃষি বিষয়াসকলে কৃষকসকলক সংহত কীট নিয়ন্ত্ৰণ পদ্ধতিসমূহৰ বিষয়ে অৱগত কৰিছে। কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ এটা দলে খেতি অনিষ্ট হোৱা এলেকাত উপস্থিত হৈ কৃষক ৰাইজৰ ক্ষয়-ক্ষতিৰ বুজ লয় লগতে সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। আনহাতে যোৰহাট জিলা কৃষি বিভাগে চিপাহীখোলা কৃষি চক্ৰৰ অন্তৰ্গত চৰহা পোকে আক্ৰমণ কৰা কৃষি ভূমিত দ্ৰোণৰ সহায়ত কীটনাশক দ্ৰব্য প্ৰয়োগ কৰিছে।

0000000

থাইলেণ্ডৰ এছমচন বিশ্ববিদ্যালয়ত ১০ৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত সপ্তম হিৰ'জ কাপ আন্তঃৰাষ্ট্ৰীয় টাইকোৱাণ্ডো প্ৰতিযোগিতাত অসমৰ কেইবাগৰাকীও খেলুৱৈয়ে অংশগ্ৰহণ কৰি উল্লেখযোগ্য প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাত সন্দিকৈ মহাবিদ্যালয়ৰ চৈতলী ঘোষ আৰু নেহা দে'ই ৰূপৰ পদক, সুমিত্ৰাক্ষী শইকীয়া আৰু টিনা সোণোৱালে নিজ নিজ শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত জাপান, পাকিস্তান, বাংলাদেশকে ধৰি মুঠ ৩০ খনতকৈও অধিক দেশৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

0000000

গোলাঘাটৰ ফৰকাটিং কোঁচগাঁৱৰ নিবাসী, মুক্তি যুঁজাৰু, সমাজ সেৱক, কৃতি শিক্ষক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলাৰ প্ৰাক্তন সভাপতি জীৱকান্ত বৰাৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০০ বছৰ। বৰাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

0000000

**সমাপ্ত**